**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং : ৪৩৪**
**উত্তৰ দানৰ তাৰিখ : ২২/০৭/২০২৬**

বিষয় : পঞ্চায়তৰ অন্তৰ্গত মানুহে ঘৰ বনোৱাৰ ক্ষেত্ৰত অনুমতি প্ৰদান সম্পৰ্কে ।

বিধায়ক : শ্ৰীমজিবুৰ ৰহমান :

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

গাঁও পঞ্চায়ত এলেকাধীন মানুহবোৰে কোনো নীতি-নিয়ম নামানি ৰাস্তাৰ কাষত বা নলা-নৰ্দমা বন্ধ কৰি আৰু চৰকাৰী মাটি দখল কৰি নিজৰ নিজৰ ঘৰ নিৰ্মাণ কৰাত পৰৱৰ্তী সময়ত চৰকাৰী যি কোনো উন্নয়মূলক আঁচনিৰ কাম কৰিবলৈ যাওঁতে বহু বাধা আৰু অসুবিধাৰ সন্মুখীন হ'বলগা হয়। সেয়েহে চৰকাৰে অসমৰ প্ৰতিটো গাঁও পঞ্চায়তৰ এলেকাধীন মানুহে নিজৰ নিজৰ ঘৰ সাজিবলৈ সংশ্লিষ্ট গাঁও পঞ্চায়তৰ পৰা বিনা খৰচত অনুমতি প্ৰদান (Permission for construction of Houses in Rural Areas) কৰাৰ কিবা ব্যৱস্থা কৰিবনে? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব ।)

**<u>উত্তৰ</u>**

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত অতুল বৰা দেৱে উত্তৰ দিবঃ

পঞ্চায়তৰ বাসিন্দাসকলৰ সা-সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে অধিসূচনা নং PDA.29/2022/12 dated 28th June,2022 যোগে পঞ্চায়তৰ অধীনস্থ যি কোনো ধৰণৰ নিৰ্মাণ কাৰ্য্যৰ ক্ষেত্ৰত লবলগীয়া অনুমতি বাতিল কৰে।

সদ্যহতে গাঁও পঞ্চায়ত এলেকাত ঘৰ সাজিবলৈ সংশ্লিষ্ট গাঁও পঞ্চায়তৰ পৰা বিনা খৰচত অনুমতি প্ৰদানৰ বিষয়ত চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই।

অৱশ্যে যদি কোনো লোকে নীতি নিয়ম নামানি ৰাস্তাৰ কাষত বা নলা নৰ্দমা বন্ধ কৰি আৰু চৰকাৰী মাটি দখল কৰি ঘৰ নিৰ্মাণ কৰা চৰকাৰৰ দৃষ্টিগোচৰ হয়; তেনেহলে সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা পোৱা তথ্যৰ ওপৰত ভিত্তি কৰি চৰকাৰে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব।

**(Replies have been uploaded in the www.cms.neva.gov.in portal)**